# 2024

## ASSAMESE

( Honours Core )

Paper : ASM HC–1026

**[ Asamiya Sahityar Buranjee (Uttar–Sankari Jug ) ]**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) মাধৱদেৱৰ আদেশ অনুক্ৰমে কোনে মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্ত্তন'ৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা খণ্ডসমূহ একত্ৰিত কৰিছিল ?

(খ) 'দৰং ৰাজবংশাৱলী' কোনে ৰচনা কৰিছিল ?

(গ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখনৰ চিত্ৰশিল্পী এজনৰ নাম লিখা।

(ঘ) 'কিতাবত-মঞ্জৰী' নামৰ গণিতৰ পুথিখন কোনে ৰচনা কৰিছিল ?

(ঙ) কোনজন আহোম ৰজাৰ ৰাজত্বকালত 'মায়ামৰীয়া বিদ্ৰোহ' সংঘটিত হৈছিল ?

(চ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' পুথিখনৰ ৰচয়িতা কোন?

(ছ) 'ন.ল.ফ' ছদ্মনামটি কোনজন লেখকে ব্যৱহাৰ কৰিছিল?

(জ) আহোম যুগৰ শ্ৰেষ্ঠ কবিজনৰ নাম কি?

(ঝ) 'ফুলমতী আৰু কৰুণা' নামৰ পুথিখন কোনে ৰচনা কৰিছিল?

(ঞ) হেমচন্দ্ৰ গোস্বামী আৰু গৰ্ডন চাহাবৰ চেষ্টাত কিমান চনত 'হেমকোষ' প্ৰকাশ হৈ ওলাইছিল?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'কথা-ৰামায়ণ' কোনে ৰচনা কৰিছিল? এই গ্ৰন্থৰ আধাৰ-গ্ৰন্থ কি, লিখা।

(খ) 'কথা-গুৰু-চৰিত' আৰু 'গুৰু-চৰিত-কথা' গ্ৰন্থ দুখনৰ সম্পাদক দুজনৰ নাম লিখা।

(গ) ৰেভ: উইলিয়াম কেৰীয়ে 'বাইবেল' পুথি কাৰ দ্বাৰা অনূদিত কৰাইছিল আৰু এইখন কোনে প্ৰকাশ কৰিছিল?

(ঘ) অসমীয়া সমাজৰ অধঃপতনৰ ব্যঙ্গচিত্ৰ দাঙি ধৰা হেমচন্দ্ৰ বৰুৱাৰ দুখন গ্ৰন্থৰ নাম লিখা।

(ঙ) 'আসাম বন্ধু' নামৰ মাহেকীয়া কাকতখন কোনে সম্পাদনা কৰিছিল আৰু এইখন কেতিয়াৰ পৰা প্ৰকাশ পাইছিল?





৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) 'কথা-গুৰু-চৰিত' মতে 'চৰিততোলা' প্ৰথা কোনে প্ৰৱৰ্তন কৰে? এনে চৰিত পুথি কেই শ্ৰেণীৰ পোৱা যায়, চমুকৈ লিখা।

(খ) আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ অনুপ্ৰেৰণা আৰু সাহায্যত কেনেধৰণৰ সাহিত্যই ঠন ধৰি উঠিছিল, চমুকৈ লিখা।

(গ) কবিৰাজ চক্ৰৱৰ্ত্তীৰ প্ৰকৃত নাম কি? এওঁ কোন কোন ৰজাৰ আমোলত ৰাজকবি আছিল? এওঁৰ সাহিত্য-কৃতিৰ বিষয়ে চমুকৈ লিখা।

(ঘ) প্ৰাক্-অৰুণোদয় যুগৰ অসমীয়া লেখকসকলৰ বিষয়ে চমুকৈ লিখা।

(ঙ) 'অৰুণোদই' কাকতত কেনেধৰণৰ বিষয়বস্তু প্ৰকাশ পাইছিল, চমুকৈ লিখা।

(চ) আনন্দৰাম ঢেকীয়াল ফুকনৰ সাহিত্যৰাজিৰ বিষয়ে চমুকৈ লিখা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বুৰঞ্জীৰ গদ্যশৈলীৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা।

(খ) শংকৰোত্তৰ যুগৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(গ) অসমীয়া ভাষা-সাহিত্যলৈ 'অৰুণোদই' কাকতৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অসমীয়া ভাষা-সাহিত্যলৈ অৱদান'-শীৰ্ষক এটি আলোচনা আগবঢ়োৱা।

(ঙ) ঊনবিংশ শতিকাৰ সাহিত্যৰ পটভূমি সম্পৰ্কে এটি সামগ্ৰিক বিশ্লেষণ আগবঢ়োৱা।

(চ) শংকৰোত্তৰ যুগৰ তান্ত্ৰিক আৰু শাক্ত সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ছ) চৰিত পুথি আৰু বুৰঞ্জীৰ গদ্যশৈলীৰ মাজৰ পাৰ্থক্য আলোচনা কৰা।

(জ) 'অৰুণোদই' কাকতৰ বৰ্ণবিন্যাস সম্পৰ্কে সবিশেষ আলোচনা কৰা।

★★★